২) ঠাকুৰ নগেন; (১৯৯৭) *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) পাঠক, ৰমেশ (২০০৮); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৪) ফুকন পাটগিৰি, দীপ্তি (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৫) ৰাভা হাকাচাম, উপেন (২০০০) ঃ *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা ঃ হাকাচাম ৰামছাদাম।

বাংলা গ্ৰন্থ

৬) শ', রামেশ্বর (১৯৯৬); *সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা;* কলকাতা ঃ পুস্তক বিপনী।

৭) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত ;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।

২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ছেমীয়-হামীয় ভাষাগোষ্ঠীৰ ভাষাসমূহ মূলতঃ এছিয়া আৰু আফ্ৰিকাৰ বিশাল অঞ্চলত প্ৰচলিত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ টাই গোষ্ঠীৰ অন্তৰ্গত টাই-খামযাঙৰ দুটা ফৈদ— নৰা আৰু খামজঙিয়া। কিন্তু বৰ্তমান দুয়োটাৰে ভাষা একে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মোন ভাষাৰ নিদৰ্শন একাদশ শতিকাৰ শিলালিপিৰ মাজত পোৱা হৈছে আৰু খোমেৰৰ নিদৰ্শন সপ্তম শতিকাৰ শিলালিপিৰ মাজত পোৱা গৈছে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ দ্ৰাবিড়ী ভাষাসমূহক তিনিটা প্ৰধান শাখাত ভাগ কৰিব পাৰি— ক) দ্ৰাবিড় শাখা, খ) অন্ধ্ৰ বা আন্ধ্ৰ শাখা আৰু গ) উত্তৰ-পশ্চিম শাখা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ উগ্ৰীয় উপশাখাৰ ভাষাসমূহৰ ভিতৰত ওষ্ট্যক, ভোণ্ডল আৰু মেগিয়াৰ বা হাংগেৰীয় ভাষা প্ৰধান।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ককেছীয় গোষ্ঠীক প্ৰধানতঃ ককেছাছ পৰ্বতৰ ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি দুটা শাখাত ভাগ কৰিছে— ক) উত্তৰ-ককেছীয় আৰু (খ) দক্ষিণ ককেছীয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিৱীত পোৱা আদিম ভাষাবৰ্গৰ অন্তৰ্গত ভাষাসমূহক ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি তলত দিয়া ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি — আমেৰিকাৰ আদিম ভাষাবৰ্গ, আফ্ৰিকাৰ আদিম ভাষাবৰ্গ, অষ্ট্ৰেলিয়াৰ আদিম ভাষাবৰ্গ, উত্তৰ-পূৰ সীমান্তীয় ভাষাবৰ্গ।



২.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) পৃথিৱীৰ ভাষা-পৰিয়াল মানে কি?

খ) পৃথিৱীৰ ভাষা-পৰিয়াল কেইটা আৰু কি কি?

গ) পৃথিৱীৰ ভাষা-পৰিয়ালৰ ভিতৰত আটাইতকৈ সমৃদ্ধিশালী ভাষা-পৰিয়াল কোনটো?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) জাতিগত দৃষ্টিকোণৰ পৰা চীন-তিব্বতীয় ভাষা কোৱা লোকসকল মংগোলীয়।

খ) দ্ৰাবিড়সকল খ্ৰীষ্টপূৰ্ব ৬০০০-৭৫০০ বছৰৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰিছিল বুলি পণ্ডিতসকল নিশ্চিত।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ইণ্ডো-ইউৰোপীয় ভাষা-পৰিয়ালৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক—

(ক) কেল্‌টীক (খ) অষ্ট্ৰ'এছীয়

(গ) শ্যাম-চীনীয় (ঘ) আমেৰিকাৰ আদিম ভাষাবৰ্গ

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ইণ্ডো-ইউৰোপীয় পৰিয়ালৰ আদিম বাসস্থান সম্পৰ্কে থকা মতবোৰ কি কি? এই ভাষা-পৰিয়ালৰ লোকসমূহ কোন কোন ঠাইত বিয়পি পৰে? পৰিয়ালটোৰ অন্তৰ্গত যিকোনো এটা শাখাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ দ্ৰাবিড় ভাষাগোষ্ঠীৰ ভাষাসমূহ ভাৰতবৰ্ষৰ কোন কোন ঠাইত প্ৰচলিত? এই ভাষাগোষ্ঠীৰ প্ৰধান শাখা কেইটা আৰু কি কি? প্ৰধান শাখাৰ ভাষাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ 'ইউৰাল-আল্‌টাই ভাষা-পৰিয়াল'ৰ ভাষাসমূহ কোন কোন ঠাইত প্ৰচলিত? এই ভাষাগোষ্ঠীৰ ভাষাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি ভাষাসমূহক কেইটা ভাগত ভগোৱা হৈছে চমুকৈ আলোচনা কৰক।

*** ***** ***